অসম

বিভিন্ন সমস্যা সমাধানৰ দাবীৰে মুখ্যমন্ত্রীক আজমলৰ সাক্ষাৎ

উচ্ছেদ অভিযান স্থগিত, উচ্ছেদিত পৰিয়ালৰ পুনৰসংস্থাপন আৰু ভূমিৰ অধিকাৰ সুৰক্ষাৰ দাবীৰে মুখ্যমন্ত্রীক স্মাৰকপত্ৰ প্রদান কৰে বদৰুদ্দিন আজমলে।

প্রকাশ: ১৬ নৱেম্বৰ ২০২৬, নিশা ৮:২০



AIUDF chief Badruddin Ajmal sought a halt to eviction drives and land rights for displaced, landless and erosion-hit people. (NEWZNOW)

দিছপুৰ, ১৬ নৱেম্বৰ: এআইইউডিএফৰ সভাপতি তথা ধুবুৰীৰ প্রাক্তন সাংসদ বদৰুদ্দিন আজমলে অসমৰ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাক সাক্ষাৎ কৰি বিভিন্ন গুৰুত্বপূর্ণ বিষয় উত্থাপন কৰে। এই সময়ত তেওঁৰ লগত দলগাঁও বিধানসভা সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমান উপস্থিত থাকে।

সাক্ষাৎকালত ৰাজ্যৰ বিভিন্ন প্রান্তত চলি থকা উচ্ছেদ অভিযান, উচ্ছেদিত পৰিয়ালৰ পুনৰসংস্থাপন, গৰাখহনীয়াগ্রস্ত আৰু ভূমিহীন লোকৰ ভূমিৰ অধিকাৰ তথা গোৱালপাৰা জিলাৰ প্রস্তাৱিত ঔদ্যোগিক এলেকাক কেন্দ্র কৰি সৃষ্টি হোৱা উদ্বেগৰ বিষয়সমূহ মুখ্যমন্ত্রীৰ সন্মুখত উত্থাপন কৰা হয়।

বদৰুদ্দিন আজমল আৰু মজিবুৰ ৰহমানে মুখ্যমন্ত্রীক এখন স্মাৰকপত্ৰ প্রদান কৰি ৰাজ্যজুৰি চলি থকা উচ্ছেদ

অভিযান স্থগিত ৰখাৰ দাবী জনায়। উচ্ছেদিত পৰিয়ালসমূহক ‘মাটিৰ বিনিময়ত মাটি’ নীতিৰ অধীনত স্থায়ী পুনৰসংস্থাপন, উপযুক্ত ক্ষতিপূৰণ আৰু তেওঁলোকৰ শিশুসকলৰ শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰাৰ দাবীও উত্থাপন কৰে।

ইয়াৰ উপৰি, গোৱালপাৰা জিলাৰ বলদমাৰী পঞ্চম খণ্ড, বলদমাৰী দ্বিতীয় খণ্ড, হেলাপাখৰী আৰু ৰাক্ষসিনী আদি জনবসতিপূর্ণ গাঁওসমূহক প্রস্তাৱিত ঔদ্যোগিক এলেকাৰ পৰা বাদ দিয়াৰ দাবী জনোৱা হয়। দীর্ঘদিন ধৰি বসবাস কৰি অহা যোগ্য পৰিয়ালসমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ যৌথ জৰীপ চলাই মাটিৰ পট্টা প্রদানৰ বিষয়টোও স্মাৰকপত্রত উল্লেখ কৰা হৈছে।

উত্থাপিত বিষয়সমূহৰ ক্ষেত্রত মুখ্যমন্ত্রীৰ হস্তক্ষেপ বিচাৰি ৰাজ্যৰ দৰিদ্র, ভূমিহীন আৰু গৰাখহনীয়াগ্রস্ত লোকসকলৰ স্বার্থত প্রয়োজনীয় ব্যৱস্থা গ্রহণৰ আহ্বান জনোৱা হয়।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3655/badruddin-ajmal-himanta-sharma-meeting